অসম

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ওপজা দিন উপলক্ষে ডিগবৈ জুবিন নাহৰ উদ্যানত কেক কাটি জুবিন গাৰ্গৰ ওপজা দিন পালন

প্ৰকাশ: ১৮ নৱেম্বৰ ২০২৬, নিশা ৯:২১



Fans of Zubeen Garg in Digboi marked the singer’s birthday by lighting lamps and cutting a cake on Wednesday evening. (NewzNow)

অসমীয়াৰ হিয়াৰ আমঠু, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ওপজা দিন উপলক্ষে ডিগবৈত গভীৰ শ্ৰদ্ধা আৰু আৱেগেৰে

স্মৰণ কৰা হয় মহান শিল্পীগৰাকীক। জুবিন অনুৰাগী মঞ্চ, ডিগবৈৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত আজি সন্ধিয়া বন্তি প্ৰজ্বলন আৰু জন্মদিনৰ কেক কাটি শিল্পীগৰাকীৰ ওপজা দিৱস পালন কৰা হয়।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত জুবিন অনুৰাগী মঞ্চৰ কৰ্মকৰ্তাসকলৰ লগতে বহু স্থানীয় লোকে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে উপস্থিত সকলোৱে বন্তি প্ৰজ্বলন কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰ পিছতে জন্মদিনৰ কেক কাটি শিল্পীগৰাকীৰ ওপজা দিন উদযাপন কৰা হয়। অনুষ্ঠানটোত অংশগ্ৰহণ কৰা অনুৰাগীসকলে জুবিন গাৰ্গৰ স্মৃতি সুঁৰৰি তেওঁৰ প্ৰতি থকা মৰম আৰু শ্ৰদ্ধা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে জুবিন গাৰ্গ কেৱল এগৰাকী সংগীত শিল্পীয়েই নহয়, তেওঁৰ গীত আৰু সৃষ্টিৰাজিৰ জৰিয়তে অসমৰ বিভিন্ন প্ৰজন্মৰ মানুহৰ মাজত এক বিশেষ স্থান লাভ কৰিছিল। তেওঁৰ কণ্ঠ, সংগীত আৰু সৃষ্টিশীলতাই অসমীয়া সংগীত জগতলৈ আগবঢ়োৱা অৱদান অনুৰাগীসকলৰ বাবে সদায় স্মৰণীয় হৈ থাকিব।

ডিগবৈৰ এই অনুষ্ঠানৰ জৰিয়তে জুবিন অনুৰাগী মঞ্চ আৰু স্থানীয় ৰাইজে প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতি থকা আবেগ, মৰম আৰু শ্ৰদ্ধা পুনৰ প্ৰকাশ কৰে। বন্তি প্ৰজ্বলন আৰু কেক কটাৰ মাজেৰে আয়োজিত এই স্মৰণীয় অনুষ্ঠানৰ জৰিয়তে শিল্পীগৰাকীৰ স্মৃতি শ্ৰদ্ধাৰে সুঁৰৰা হয়।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4300/pranor-silpi-jubin-gargor-opoja-din-upolokse-digoboi-jubin-nahor-udyanot-kek-kat